# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-02-2025
**Time:** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

ooooo

ৰাজ্যৰ আভ্যন্তৰীণ জল পৰিবহন আৰু জলপথৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে অহা ৫ বছৰত ৪ হাজাৰ ৮০০ কোটি টকাতকৈও অধিক ধন বিনিয়োগ কৰা হ'ব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জল পৰিবহন মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি গুৱাহাটীত আয়োজিত এডভাণ্টেজ আছাম সন্মিলনত এই কথা প্ৰকাশ কৰে। কালি পথ পৰিবহন, ৰে'লৱে আৰু নদী বিষয়ক এখন আলোচনা সত্ৰত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আত্মনিৰ্ভৰ ভাৰতৰ সংকল্প গ্ৰহণ কৰি দেশ নিৰ্মাণৰ দিশত অগ্ৰসৰ হৈছে। অসমে এই পথেৰে আগবাঢ়ি যাব লাগিব বুলি শ্ৰীসোণোৱালে মন্তব্য কৰে। ২০১৪ চনৰ পৰা আভ্যন্তৰীণ জলপথ খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰীসোণোৱালে ব্ৰহ্মপুত্ৰ আৰু বৰাককে ধৰি নদী প্ৰণালীৰ সমৃদ্ধ নেটৱৰ্কৰ সৈতে ৰাজ্যখনৰ আভ্যন্তৰীণ জলপথসমূহে অৰ্থনৈতিক বিকাশত অতিশয় গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

ooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি লখিমপুৰ জিলাত আয়োজিত এখন নাগৰিক সভাত অংশ লৈ ২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত জনসাধাৰণৰ সৈতে মত বিনিময় কৰে। তেওঁ এইবাৰৰ বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে আৱণ্টন জনোৱা বিভিন্ন ক্ষেত্ৰৰ বিষয়ে জনসাধাৰণক অৱগত কৰে। ২০৪৮ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত দীৰ্ঘম্যাদী পৰিকল্পনাৰ অংশ হিচাপে এই বাজেট অতি গুৰুত্বপূৰ্ণ বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে এইবাৰৰ বাজেট উত্তৰ-পূৰ্বাঞ্চলত নতুন প্ৰকল্প নিৰ্মাণ, শিক্ষাৰ গুণগত মান উন্নীতকৰণ, নতুন প্ৰযুক্তি গ্ৰহণ, গৱেষণাৰ উপৰি ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ ৰূপায়ণত বিশেষভাৱে সহায়ক হ'ব। ডাঃ পেগুৱে দেশৰ সামগ্ৰিক উন্নয়নেৰে এখন নতুন আৰু শক্তিশালী ভাৰত গঢ়াৰ লক্ষ্যৰে কেন্দ্ৰীয় বাজেটত গ্ৰহণ কৰা উন্নয়নমুখী পদক্ষেপৰ বাবে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক শলাগ লয়।

ooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আজিৰেপৰা উত্তৰ-পূব জাপান কাৰাভান মহোৎসৱ অনুষ্ঠিত হৈছে। জাপান ফাউণ্ডেচনৰ সহযোগত বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ অংশ হিচাপে ৰাজ্যখনত জাপানী ভাষাৰ শিক্ষাৰ প্ৰতি যুৱক-যুৱতীসকলক আগ্ৰহী কৰি তোলাৰ প্ৰয়াস কৰা হ'ব। মহোৎসৱত জাপানৰ ভাষা কলা-সংস্কৃতি আৰু ঐতিহ্যক প্ৰতিফলিত কৰি তিনিখন চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। কালি এই উপলক্ষে আয়োজিত সংবাদমেলত জাপানৰ সংস্থাটোৰ হৈ প্ৰতিনিধিত্ব কৰা নতুন দিল্লীৰ জাপানী ভাষা কাৰ্যালয়ৰ

সঞ্চালক টাইচেই টায়’মাৰ’ৰে কয়, যে এই সংস্থাটোৱে ভাৰতত জাপানী ভাষা আৰু সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰি আহিছে। বিশ্ববিদ্যালয়খনত আজি আৰু কাইলৈ অনুষ্ঠানৰ অংশ হিচাপে জাপানৰ সংস্কৃতিৰ বিভিন্ন দিশ সামৰি লোৱা হৈছে বুলি তেওঁ কয়। উল্লেখযোগ্য যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অহা শিক্ষাবৰ্ষৰ পৰা জাপানী ভাষাৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ পৰিকল্পনা লোৱা হৈছে। অসমৰ ৫০ হাজাৰ ল’ৰা-ছোৱালীক জাপানত কাম কৰাৰ বাবে উপযুক্ত কৰি তুলিবলৈ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পৰিকল্পনা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত এই জাপানী শিক্ষাৰ পাঠ্যক্ৰমে সহায় কৰিব বুলি বিশ্ববিদ্যালয় সূত্ৰই প্ৰকাশ কৰে।

০০০০০

গোলাঘাটৰ স্বাস্থ্য বিভাগে আজি জিলাখনত মুঠ এহেজাৰ ৬৮৩ জন যক্ষ্মা ৰোগীক পুষ্টিকৰ খাদ্যৰ টোপোলা বিতৰণ কৰে। নুমলীগড় শোধানাগাৰৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত আজিৰ এই কাৰ্যসূচীৰ অধীনত ৰোগীসকলক পুষ্টিকৰ খাদ্য বিতৰণ কৰাৰ লগতে নিক্ষয়মিত্ৰসকললৈ সম্বৰ্ধনা পত্ৰ আগবঢ়োৱা হয়। কেন্দ্ৰীয় চৰকাৰে **যক্ষ্মামুক্ত ভাৰত** কাৰ্যক্ৰমৰ অধীনত সমগ্ৰ দেশতে এনেধৰণৰ বহুখিনি কাৰ্যসূচী হাতত লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলিত বৰ্ষৰ ভিতৰত সমগ্ৰ দেশতে যক্ষ্মা নিৰ্মূল কৰা সংকল্প গ্ৰহণ কৰিছে। এই কাৰ্যসূচীৰ অধীনতে গোলাঘাট জিলাৰ যক্ষ্মা ৰোগীসকলক ছমাহৰ বাবে পুষ্টিকৰ খাদ্য প্ৰদান কৰা হ’ব। যিহেতু যক্ষ্মা ৰোগীসকলক উপশম আৰু নিৰাময়ৰ বাবে যথেষ্ট পৰিমাণৰ পুষ্টিকৰ খাদ্যৰ প্ৰয়োজন হয় আৰু দৰিদ্ৰ লোকসকলে এনেধৰণৰ সুষম আহাৰ যোগাৰ কৰাত অসুবিধাত পৰে। সেয়েহে **যক্ষ্মামুক্ত ভাৰত** কাৰ্যক্ৰমৰ অধীনত জিলাখনত আজিৰে পৰা পুষ্টিকৰ খাদ্য বিতৰণ কাৰ্যসূচী হাতত লোৱা হৈছে।

০০০০০

টাই-আহোম যুৱ পৰিষদৰ চৰাইদেউ জিলা সমিতিয়ে অভিনেত্ৰী প্ৰস্তুতি পৰাশৰলৈ বীৰাংগনা মূলাগাভৰু বঁটা আগবঢ়াইছে। আজি দিছপুৰ প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত সমিতিৰ বিষয়াববীয়া এই কথা সদৰি কৰি কয়, যে চৰাইদেউ জিলাৰ সোণাৰিত অহা ২৭ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ আয়োজিত কাৰ্যসূচীত এই বঁটা প্ৰদান কৰা হ’ব। এই বঁটাত টাই-আহোমসকলৰ এযোৰ যুদ্ধৰ সাজ-পাৰ, এখন হেংদাং, এখন মানপত্ৰ, এটা স্মাৰক আৰু নগদ ২৫ হাজাৰ টকাৰ চেক থাকিব বুলি আয়োজকসকলে জানিবলৈ দিছে। উল্লেখযোগ্য টাই-আহোম যুৱ পৰিষদৰ চৰাইদেউ জিলা সমিতিয়ে ২০১৩ চনৰ পৰা বীৰাংগনা মূলাগাভৰু স্মৃতি দিৱস আৰু বঁটা প্ৰদান কাৰ্যসূচীৰ আয়োজন কৰি আহিছে।

০০০০০

জনসাধাৰণৰ মাজত স্বাস্থ্য বিষয়ত সজাগতা বৃদ্ধিৰ লক্ষ্যৰে লামডিঙৰ হৰলংপাৰ অঞ্চলত হোজাইৰ হাম চিকিৎসালয়ৰ উদ্যোগত আজি এটা বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। এই শিবিৰত ১৬ জনীয়া চিকিৎসকৰ এটা দলে প্ৰায় তিনি শতাধিক ৰোগীক বিনামূলীয়া চিকিৎসা প্ৰদান কৰাৰ লগতে ঔষধো বিতৰণ কৰে। ৰক্তচাপ, মধুমেহ, মানসিক চাপ, জ্বৰ, গ্ৰহণী ইত্যাদি সততে হৈ থকা ৰোগৰ বিষয়ে চিকিৎসকসকলে শিবিৰ চলি থকাৰ সময়ত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ চেষ্টা কৰে।

০০০০০

সমাপ্ত